# 2016

## ASSAMESE

## ( Major )

Paper : 2.2

**( Adhunik Asamiya Kabita )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×১০=১০

(ক) 'উৎকৃষ্ট শব্দৰ সুবিন্যাসেই কবিতা' (Best words in the best order)-এই সংজ্ঞাটো কোনে আগবঢ়াইছে?

(খ) 'কথা কবিতা' ৰচনা কৰা প্ৰথমগৰাকী অসমীয়া কবিৰ নাম কি?

(গ) 'নতুন কবিতা' কোনে সম্পাদনা কৰিছিল?

(ঘ) কবিতাত সাহিত্য-অকাডেমী বঁটা লাভ কৰা প্ৰথম অসমীয়া কবিগৰাকীৰ নাম লিখা।

(ঙ) কোন চনত 'জোনাকী' প্ৰথম প্ৰকাশিত হৈছিল?

(চ) 'বনকুঁৱৰী' নামৰ কবিতাটি কোনে ৰচনা কৰিছিল?

(ছ) সংক্ৰান্তি কালৰ কবি বুলি কাক অভিহিত কৰা হয়?

(জ) কোন চনত নীলমণি ফুকনে সাহিত্য-অকাডেমী বঁটা লাভ কৰিছিল?

(ঝ) 'অগ্নি কবি' বুলি কাক অভিহিত কৰা হয়?

(ঞ) 'মিতভাষ'ৰ স্ৰষ্টা কোন?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) 'কুকুৰ' আৰু 'বান্দৰ' কবিতা দুটিৰ ৰচক কোন?

(খ) মেথিউ আৰ্নল্ডৰ কবিতাৰ সংজ্ঞাটো উল্লেখ কৰা।

(গ) 'জয়ন্তী' নামৰ আলোচনীখনি কোন চনত প্ৰথম প্ৰকাশ পাইছিল আৰু ইয়াৰ প্ৰথমগৰাকী সম্পাদক কোন আছিল?

(ঘ) মিত্ৰাক্ষৰ ছন্দৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) ৰচকৰ নামৰ সৈতে দুটা 'ছনেট' কবিতাৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) "দেহী আমি, তথাপি কৰোঁ যে বাস
দেহৰ ঊৰ্দ্ধত"

এই কবিতাফাঁকিৰ অন্তৰ্নিহিত তাৎপৰ্য ব্যাখ্যা কৰা।

(খ) অসমীয়া কাব্য সাহিত্যলৈ ৰত্নকান্ত বৰকাকতিৰ অৱদান সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(গ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা।

(ঘ) হিতেশ্বৰ বৰবৰুৱাই কবিক কিয় চিত্ৰকৰ বুলি কৈছে, ব্যাখ্যা কৰা।

(ঙ) অতীন্দ্ৰিয়বাদী ভাৱধাৰা কোন কেইগৰাকী অসমীয়া কবিৰ কবিতাত পোৱা যায়, বিচাৰ কৰা।

৪। (ক) আধুনিক অসমীয়া কাব্যৰীতিৰ বিকাশ আৰু সমৃদ্ধিত নৱকান্ত বৰুৱাই কেনেধৰণে অৱদান আগবঢ়াইছে, বিচাৰ কৰা। ১০

*অথবা*

(খ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'বিশ্বদোলন' আৰু ৰত্নকান্ত কাকতিৰ 'বিশ্বহৰণ' কবিতা দুটিৰ মূলভাৱ বিশ্লেষণ কৰি কবিতা দুটিৰ মাজত এটি তুলনা আগবঢ়োৱা। ১০

৫। (ক) অমিত্ৰাক্ষৰ আৰু মুক্তক ছন্দৰ বিষয়ে আলোচনা কৰি এই দুই ছন্দ অসমীয়া কবিতাত কেনেদৰে প্ৰয়োগ হৈছে, বিচাৰ কৰা। ১০

*অথবা*

(খ) নীলমণি ফুকনৰ 'মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি' শীৰ্ষক কবিতাটিত আধুনিক কবিতাৰ বৈশিষ্ট্যসমূহ কেনেদৰে প্ৰকাশ পাইছে, বিশ্লেষণ কৰি উলিওৱা। ১০

৬। (ক) পাঠ্যক্ৰমৰ অন্তৰ্গত ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' আৰু ৰাম গগৈৰ 'নদী' নামৰ কবিতা দুটিত প্ৰকৃতি জগতৰ কোনবোৰ ৰূপ প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) "দুৱৰাৰ কবিতাসমূহ সাৱলীল, কোমল, মধুৰ, স্বচ্ছন্দ গতিসম্পন্ন, কৰুণ ৰসসিক্ত আৰু আত্মকেন্দ্ৰিক। জীৱনৰ কোলাহলৰ পৰা আঁতৰি গৈ আত্মগোপন কৰাৰ প্ৰচেষ্টা তেওঁৰ কবিতাত লক্ষ্য কৰা যায়।" এই মন্তব্য কিমানখিনি গ্ৰহণযোগ্য, যতীন্দ্ৰনাথ দুৱৰাৰ 'সোণোৱালী দেশ' নামৰ কবিতাটিৰ যোগেৰে আলোচনা কৰা। ১০

৭। (ক) "দেৱকান্ত যুগসন্ধিৰ কবি। তেওঁৰ এটা ভৰি দ্বিতীয় মহাযুদ্ধৰ পূৰ্বৰ ৰোমাণ্টিক খটখটিত স্থাপিত আৰু আনটো যুদ্ধোত্তৰ যুগৰ নতুন সোপানলৈ আগবঢ়াই নিছে।" এই মন্তব্যৰ আধাৰত দেৱকান্ত বৰুৱাৰ কবিতাৰ বিষয়ে এটি সমীক্ষা আগবঢ়োৱা। ১০

*অথবা*

(খ) হেম বৰুৱাৰ 'মমতাৰ চিঠি' কবিতাটিত প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগ কেনেদৰে হৈছে, উদাহৰণসহ আলোচনা কৰা। ১০

★★★